# ASSAMESE

## PAPER—II

## ( LITERATURE )

| Time Allowed : Three Hours | Maximum Marks : 250 |
| --- | --- |

### QUESTION PAPER SPECIFIC INSTRUCTIONS

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, THREE are to be attempted choosing at least ONE question from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE.

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in chronological order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

## SECTION—A

**1.** তলৰ পাঁচটা প্ৰশ্নৰ উত্তৰ সংক্ষেপে লিখাঁ। প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150*টা শব্দৰ ভিতৰত হ'ব লাগিব : 10×5=50

*(a)* মাধৱ কন্দলিৰ 'অযোধ্যাকাণ্ড'ত প্ৰকাশ পোৱা কাব্যিক সৌন্দৰ্যৰ বিষয়ে আলোচনা কৰাঁ।

*(b)* 'ৰাজসূয় কাব্য'ত থকা যাদৱসকলৰ ইন্দ্ৰপ্ৰস্থ যাত্ৰাৰ বৰ্ণনাৰ মাজত মাধৱদেৱৰ কবিত্বশক্তি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

*(c)* ''কাম জয় নামে ইটো মাধৱৰ কেলি''—এই পদফাকিৰ আধাৰত ৰাসক্ৰীড়াৰ তাৎপৰ্য বিচাৰ কৰাঁ।

*(d)* অসমীয়া কথা-সাহিত্যলৈ ভট্টদেৱৰ অৱদানৰ বিষয়ে 'কথা-ভাগৱত'ৰ আলমত আলোচনা কৰাঁ।

*(e)* মাধৱদেৱৰ বৰগীতত প্ৰকাশ পোৱা ভক্তিতত্ত্ব আৰু কৃষ্ণলীলাৰ বিষয়ে চমুকৈ আলোচনা কৰাঁ।

**2.** তলৰ প্ৰশ্ন দুটাৰ উত্তৰ চমুকৈ কিন্তু বিচৰা বিষয় নিৰ্দেশ কৰি লিখাঁ : 25+25=50

*(a)* শংকৰদেৱৰ 'পাৰিজাত হৰণ' নাটত ৰুক্মিণী আৰু সত্যভামাৰ বচন আৰু কাৰ্যকলাপৰ মাজেদি কৃষ্ণ-ভক্তিৰ মাহাত্ম্য কেনেদৰে প্ৰকাশ কৰা হৈছে, আলোচনা কৰাঁ।

*(b)* মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ 'অযোধ্যাকাণ্ড'ৰ ঘাই ৰস কি? কোনবোৰ ঘটনা আৰু কোনবোৰ চৰিত্ৰৰ আধাৰত এই ৰস প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

**3.** তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু বিষয়-নিৰ্দেশক উত্তৰ লিখাঁ : 25+25=50

*(a)* 'কীৰ্তন' পুথিৰ ৰাসক্ৰীড়া অধ্যায়ত প্ৰকাশ পোৱা গোপীসকলৰ কৃষ্ণপ্ৰেমৰ তাৎপৰ্য আলোচনা কৰাঁ।

*(b)* মাধৱদেৱৰ বৰগীতৰ সকলো দিশ সামৰি এটি প্ৰবন্ধ যুগুত কৰাঁ।

**4.** তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু মূল বিষয় নিৰ্দেশ কৰি উত্তৰ লিখাঁ : 25+25=50

*(a)* 'গুৰু-চৰিত-কথা'ৰ আলমত শংকৰদেৱ আৰু মাধৱদেৱৰ মিলনৰ পটভূমি বৰ্ণনা কৰাঁ।

*(b)* 'কথা-ভাগৱত'ৰ প্ৰথম আৰু দ্বিতীয় অধ্যায়ৰ আলমত ভট্টদেৱৰ গদ্যশৈলীৰ বিষয়ে চমু আলোচনা আগবঢ়োৱাঁ।

## SECTION—B

**5.** তলৰ পাঁচটা প্ৰশ্নৰ উত্তৰ সংক্ষেপে লিখাঁ। প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150*টা শব্দৰ ভিতৰত হ'ব লাগিব : 10×5=50

*(a)* 'কাৰেঙৰ লিগিৰী'ত প্ৰকাশ পোৱা সুন্দৰ কোঁৱৰৰ মানসিক দ্বন্দ্বই চৰিত্ৰটোৰ আকৰ্ষণীয়তা কেনেদৰে বৃদ্ধি কৰিছে, আলোচনা কৰাঁ।

*(b)* 'জীৱনৰ বাটত' উপন্যাসখনিক মহাকাব্যিক উপন্যাস বোলাৰ কাৰণসমূহ চমুকৈ আলোচনা কৰাঁ।

*(c)* 'প্ৰতিমা'ৰ কবিতাকেইটিৰ মাজত ৰোমান্টিক কবিতাৰ কোনকেইটি দিশ বেছি স্পষ্ট হৈ আছে, আলোচনা কৰাঁ।

*(d)* বাণীকান্ত কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য' পুথিখনিৰ বিষয়ে এটি পৰিচয়সূচক প্ৰবন্ধ লিখাঁ।

*(e)* 'মনোমতী' উপন্যাসৰ নামকৰণ যুক্তিযুক্ত হৈছে বুলি ভাবানে, যুক্তি দৰ্শোৱাঁ।

**6.** তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু মূল বিষয়-নিৰ্দেশক উত্তৰ লিখাঁ : 25+25=50

(a) গোহাঞিবৰুৱাৰ 'গাঁওবুঢ়া' নাটকৰ সংলাপসমূহে নাটখনিৰ সফলতাত কেনে অৰিহণা যোগাইছে, আলোচনা কৰাঁ।

(b) 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'ৰ 'সামাজিক' নামৰ ৰচনাখনিৰ মূল ভাব বিশ্লেষণ কৰাঁ।

**7.** তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু মূল বিষয় নিৰ্দেশ কৰি উত্তৰ লিখাঁ : 25+25=50

(a) শিৱসাগৰ আৰু কলিকতাত পাৰ কৰা বেজবৰুৱাৰ শিক্ষা জীৱনৰ বিষয়ে 'মোৰ জীৱন সোঁৱৰণ'ৰ আলমত বৰ্ণনা কৰাঁ।

(b) 'মৃত্যুঞ্জয়' উপন্যাসৰ মহদা গোসাঁইৰ চৰিত্ৰটোৰ মাজেৰে ফুটি উঠা আদৰ্শৰ সংঘাতৰ বিষয়ে আলোচনা কৰাঁ।

**8.** তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু যথাযোগ্য উত্তৰ লিখাঁ : 25+25=50

(a) নৰকান্ত বৰুৱাৰ কাব্য-চিন্তাৰ বৈশিষ্ট্যৰ বিষয়ে 'সম্ৰাট'ৰ আলমত আলোচনা কৰাঁ।

(b) 'জীৱনৰ বাটত' উপন্যাসৰ তগৰৰ চৰিত্ৰটো সমালোচনাৰ দৃষ্টিৰে আলোচনা কৰাঁ।

★★★